DAILY ASSAM



পঞ্চম অধ্যায়

# বিধানমণ্ডল

# (LEGISLATURE)

**পৰিচয়**

তোমালোকে ইতিমধ্যে নির্বাচনৰ গুৰুত্ব আৰু ভাৰতত গ্ৰহণ কৰা নির্বাচনৰ প্রক্রিয়া সম্পৰ্কে অধ্যয়ন কৰিছা। বিধানমণ্ডলৰ সদস্যসকল জনসাধাৰণৰদ্বাৰা নির্বাচিত হয় আৰু তেওঁলোকে জনসাধাৰণৰ হকে কাম কৰে। এই অধ্যায়ত তোমালোকে নির্বাচিত বিধানমণ্ডলসমূহে কেনেদৰে কাৰ্য্য কৰে আৰু গণতান্ত্রিক চৰকাৰ এখন চলি থকাত সহায় কৰে সেই বিষয়ে অধ্যয়ন কৰিব পাৰিবা । ইয়াৰ উপৰিও ভাৰতৰ সংসদ আৰু ৰাজ্যিক বিধানমণ্ডলসমূহৰ গঠন আৰু কাৰ্য্য আৰু গণতান্ত্রিক চৰকাৰ এখনত সেইবাৰৰ গুৰুত্ব সম্পৰ্কেও অৱগত হ'বা। এই অধ্যায়টো অধ্যয়ন কৰি তোমালোকে তলত উল্লেখ কৰা বিষয়সমূহ জানিব পাৰিবা -

- বিধানমণ্ডলৰ গুৰুত্ব ;
- ভাৰতৰ সংসদৰ ক্ষমতা আৰু কাৰ্য্য ;
- আইন প্রণয়ন প্রক্রিয়া ;
- সংসদে কেনেদৰে কাৰ্য্যপালিকাক নিয়ন্ত্রণ কৰে ; আৰু
- সংসদে নিজকে কেনেকৈ নিয়ন্ত্রণ কৰে ।

DAILY ASSAM



### আমাক এখন সংসদ কিয় লাগে (Why do we need a Parliament)

বিধানমণ্ডল কেৱল এটা আইন প্ৰণয়ন কৰা অনুষ্ঠান নহয়। আইন প্ৰণয়ন কৰাটো বিধানমণ্ডলৰ বিভিন্ন কামৰ মাজৰ এটা কামহে। সকলো গণতান্ত্ৰিক ৰাজনৈতিক প্ৰক্ৰিয়াৰ ই-কেন্দ্ৰ-স্থল। সদন ত্যাগ (Walk out), বিৰোধিতা, বিক্ষোভ-প্ৰদৰ্শন, সহমত পোষণ, উদ্বিগ্নতা প্ৰকাশ আৰু সহযোগিতা আদি বিভিন্ন কাৰ্য্যৰ লগত ই জড়িত হৈ থাকে। এই আটাইবোৰ কাৰ্য্যই গুৰুত্বপূৰ্ণ উদ্দেশ্য সাধন কৰে। যথাৰ্থতে, প্ৰতিনিধি অবিহনে এখন প্ৰকৃত গণতন্ত্ৰৰ কথা কল্পনা কৰিব নোৱাৰি। প্ৰতিনিধিসকলক দায়বদ্ধ কৰি ৰখাত বিধানমণ্ডলে জনসাধাৰণক সহায় কৰে। প্ৰকৃততে, এয়াই প্ৰতিনিধিত্ব মূলক গণতন্ত্ৰৰ মূল ভিত্তি ।

অৱশ্যে বেছিভাগ গণতন্ত্ৰত বিধানমণ্ডলে কাৰ্য্যপালিকাৰ হাতত নিজৰ গুৰুত্ব হেৰুৱাবলগীয়া হৈছে । ভাৰততো মন্ত্ৰীসভাই (Cabinet) নীতি প্ৰৱৰ্তন কৰে, শাসনৰ বাবে কৰ্মসূচী নিৰ্দ্ধাৰণ কৰে আৰু সেইবোৰ ৰূপায়ণ কৰে। সেইবাবে কিছুমান সমালোচকে মত পোষণ কৰে যে সংসদৰ অৱনতি ঘটিছে। কিন্তু অতি শক্তিশালী মন্ত্ৰীসভাৰো বিধানমণ্ডলত সংখ্যা গৰিষ্ঠতা থাকিব লাগিব। এজন শক্তিশালী নেতাই সংসদৰ সম্মুখীন হৈ সংসদৰ সন্তোষজনক হোৱাকৈ উত্তৰ দিব লাগে। ইয়াতেই সংসদৰ গণতান্ত্ৰিক গুন নিহিত হৈ থাকে। সেইবাবে ইয়াক বিতৰ্কৰ এটা আটাইতকৈ গণতান্ত্ৰিক আৰু মুকলি মঞ্চ হিচাপে স্বীকৃতি দিয়া হৈছে। গঠন প্ৰক্ৰিয়াৰ বাবে ই চৰকাৰৰ আটাইকেইটা অংগৰ ভিতৰত আটাইতকৈ বেছি গণতান্ত্ৰিক বিচাপে পৰিগণিত হৈছে। তদুপৰি, আন এটা গুৰুত্বপূৰ্ণ কথা হৈছে যে চৰকাৰ বাছি লোৱা (Choose) আৰু বৰ্খাস্ত কৰা (dismiss) ক্ষমতা ইয়াৰ ওপৰতেই ন্যস্ত কৰা হৈছে।

*কাৰ্য্যাৱলী*

বাতৰি কাকতৰ এই প্ৰতিবেদনসমূহ পঢ়া আৰু তাৰপিছত চিন্তা কৰা ঃ বিধানমণ্ডল নাথাকিলে কি হ'লহেঁতেন? প্ৰত্যেকটো বাতৰি পঢ়ি কাৰ্য্যপালিকাক নিয়ন্ত্ৰণ কৰাত বিধানমণ্ডল কেনেদৰে সফল বা ব্যৰ্থ হৈছে সেই বিষয়ে তোমাৰ মত ব্যক্ত কৰা।

DAILY ASSAM





- ২৮ ফেব্ৰুৱাৰী ২০০২ : কেন্দ্ৰীয় বিত্তমন্ত্ৰী যশবন্ত সিঙে কেন্দ্ৰীয় বাজেট প্ৰস্তাৱত ৫০ কিলোগ্ৰাম ওজনৰ প্ৰতি বেগ ইউৰিয়াত ১২ টকাকৈ বৃদ্ধি কৰাৰ আৰু আন দুবিধ সাৰৰ দাম সামান্য বৃদ্ধি অৰ্থাৎ শতকৰা প্ৰায় ৫ ভাগ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰে। বৰ্তমান ৪৮৩০ টকা দামৰ প্ৰতি টন ইউৰিয়াত শতকৰা ৮০ ভাগ পৰ্য্যন্ত চৰকাৰী সাহাৰ্য্য দিয়া হয়।
- মাৰ্চ ১১, ২০০২ ঃ বিত্ত মন্ত্ৰীয়ে বিৰোধী পক্ষৰ তীব্ৰ হেঁচাত সাৰৰ বৰ্দ্ধিত মূল্য হ্ৰাস কৰি পুনৰ পূৰ্বৰ অৱস্থালৈ আনিবলৈ বাধ্য হয়। (দ্য হিন্দু, ১২ মাৰ্চ, ২০০২)
- ৪ জুন ১৯৯৮ ঃ লোকসভাত ইউৰিয়া আৰু শোধিত পেট্ৰোলিয়ামৰ মূল্য বৃদ্ধিৰ বিষয়ত হুলস্থূলীয়া দৃশ্যৰ অৱতাৰণা হয়। আটাইবোৰ বিৰোধী দলে সদন ত্যাগ কৰে। বিষয়টোৱে দুদিন ধৰি সদন তোলপাৰ লগাই থাকে আৰু বিৰোধীয়ে সদন ত্যাগ কৰে। বিত্তমন্ত্ৰীয়ে তেওঁৰ বাজেট প্ৰস্তাৱত ইউৰিয়াৰ ক্ষেত্ৰত থকা চৰকাৰী সাহাৰ্য্য কমাবলৈ প্ৰতি কিলোগ্ৰাম ইউৰিয়াৰ মূল্য ৫০ পইচাকৈ বৃদ্ধি কৰিবলৈ প্ৰস্তাব দাঙি ধৰিছিল। কিন্তু বিৰোধী পক্ষৰ কাৰ্য্যই বিত্তমন্ত্ৰী য়শৱন্ত সিন্‌হাক ইউৰিয়াৰ মূল্য বৃদ্ধিৰ সিদ্ধান্ত উঠাই লবলৈ বাধ্য কৰে। (হিন্দুস্তান টাইমচ্, ৪ আৰু ৫ জুন, ১৯৯৮)।
- ২২ ফেব্ৰুৱাৰী, ১৯৮৩ ঃ লোকসভাই আজি সকলো চৰকাৰী কাৰ্য্যসূচী স্থগিত ৰাখি অসমৰ বিষয়ে বিতৰ্কক অগ্ৰাধিকাৰ দিবলৈ সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰি এটা বিৰল কাৰ্য্য কৰে। গৃহমন্ত্ৰী পি. চি. শেঠীয়ে এটা বিবৃতি দিছিল, "অসমত বসবাস কৰা বিভিন্ন সম্প্ৰদায় আৰু গোষ্ঠীৰ মাজত সম্প্ৰীতি স্থাপনৰ বাবে মই মতামত আৰু নীতি নিৰ্বিশেষে সকলো সদস্যৰ সহযোগিতা

DAILY ASSAM



কামনা কৰো। বৰ্তমান মতানৈক্যৰ পৰিবৰ্তে প্ৰতিকাৰৰ উপায়হে চিন্তা কৰা প্ৰয়োজন।" (হিন্দুস্থান টইমচ্, ২২ ফেব্ৰুৱাৰী, ১৯৮৩)।

- কংগ্ৰেছ সদস্যসকলে অন্ধ্ৰপ্ৰদেশত হৰিজনসকলৰ ওপৰত চলোৱা অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছিল। (দ্য হিন্দু, ৩ মাৰ্চ, ১৯৮৫)

## আমাক সংসদৰ দুখন সদন কিয় লাগে (Why do we need two Houses of Parliament)


'সংসদ' শব্দটোৰদ্বাৰা ৰাষ্ট্ৰীয় বিধানমণ্ডলক বুজোৱা হয়। ৰাজ্যবোৰৰ বিধানমণ্ডলক ৰাজ্যিক বিধানমণ্ডল বুলি কোৱা হয়। ভাৰতৰ সংসদৰ দুখন সদন আছে। দুখন সদন থকা বিধানমণ্ডলক দ্বিসদনীয় বিধানমণ্ডল বুলি কোৱা হয়। ভাৰতৰ সংসদৰ সদন দুখনক কাউন্সিল অৱ ষ্টেট্‌ছ্ বা ৰাজ্যসভা (Council of states or Rajya Sabha) আৰু হাউচ অৱ পিপ্‌ল বা লোকসভা (House of people or Lok Sabha)বুলি কোৱা হয়। সংবিধানে ৰাজ্যবোৰক একসদনীয় বা দ্বিসদনীয় বিধানমণ্ডল গঠন কৰাৰ স্বাধীনতা দিছে। বৰ্তমান মাত্ৰ পাচঁখন ৰাজ্যতহে দ্বিসদনীয় বিধানমণ্ডল আছে।

বিশাল আকাৰ আৰু বৈচিত্ৰ্য থকা ৰাষ্ট্ৰসমূহত সমাজৰ সকলো শ্ৰেণীক প্ৰতিনিধিত্ব কৰিবলৈ আৰু ৰাষ্ট্ৰখনৰ সকলো অংশ বা ভৌগোলিক অঞ্চলক প্ৰতিনিত্ব কৰিবলৈ সাধাৰণতে দ্বিসদনীয় ৰাষ্ট্ৰীয় বিধানমণ্ডলৰ পোষকতা কৰা হয়। দ্বিসদনীয় বিধানমণ্ডলৰ আৰু এটা সুবিধা আছে। দ্বিসদনীয় বিধানমণ্ডলত কোনো সিদ্ধান্ত পুনৰ বিবেচনা কৰি চোৱাটো সম্ভৱপৰ হয়। কোনো বিষয়ত এখন সদনে সিদ্ধান্ত গ্ৰহণ কৰাৰ পিছত আনখন সদনৰ সিদ্ধান্তৰ বাবে পঠিওৱা হয়। অৰ্থাৎ, প্ৰত্যেক বিধেয়ক আৰু নীতি দুবাৰকৈ আলোচনা কৰা হয়। ইয়াৰদ্বাৰা প্ৰত্যেকটো বিষয় দুবাৰকৈ বিচাৰ কৰি চোৱাটো নিশ্চিত হয়। আনকি এখন সদনে খৰতকীয়াকৈ কোনো সিদ্ধান্ত গ্ৰহণ কৰিলেও, আনখন সদনত আলোচনাৰ সময়ত সেই সিদ্ধান্তটো পুনৰ বিবেচনা কৰাটো সম্ভৱ হয়।

DAILY ASSAM








● দ্বিসদনীয় বিধানমণ্ডল থকা ৰাজ্যবোৰ

বিহাৰ,

জম্মু আৰু কাশ্মীৰ,

কৰ্ণাটক,

মহাৰাষ্ট্ৰ,

উত্তৰ প্ৰদেশ

DAILY ASSAM



"...... এখন উচ্চ সদনে পুনৰ বিবেচনা কৰা গুৰুত্বপূৰ্ণ কামটো কৰিব পাৰে, আৰু ... ইয়াৰ মতামতক গুৰুত্ব দিয়া হ'ব পাৰে, কিন্তু ভোটৰ গুৰুত্ব নাই .... সক্ৰিয় ৰাজনীতিৰ উত্থান পতনত প্ৰৱেশ কৰিব নোৱাৰা সকলে ....... নিম্ন সদনক পৰামৰ্শ দিব পাৰে।"

পূৰ্ণিমা বেনাৰ্জী

সংবিধান সভাৰ বিতৰ্ক, ৯ম খণ্ড, পৃ. ৩৩

### ৰাজ্যসভা (Rajya Sabha)

সংসদৰ দুয়োখন সদনৰ প্ৰতিনিধিত্বৰ ভিত্তি বেলেগ বেলেগ। ৰাজ্যসভাই ভাৰতৰ ৰাজ্যসমূহক প্ৰতিনিধিত্ব কৰে। এইখন সদনক পৰোক্ষভাৱে নিৰ্বাচন কৰা হয়। এখন ৰাজ্যৰ অধিবাসীসকলে ৰাজ্যিক বিধানসভালৈ প্ৰতিনিধি নিৰ্বাচন কৰে। ৰাজ্যিক বিধানসভাৰ নিৰ্বাচিত প্ৰতিনিধিসকলে ৰাজ্যসভাৰ সদস্যসকলক নিৰ্বাচিত কৰে।

দ্বিতীয় সদনৰ প্ৰতিনিধিত্বৰ বাবে আমি দুটা নীতিৰ বিষয়ে ভাবি চাব পাৰো। এটা হৈছে, আকাৰ আৰু জনসংখ্যা নিৰ্বিশেষে ৰাষ্ট্ৰখনৰ সকলো অংশৰ বাবে সমান প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰা। আমি ইয়াক সুসম প্ৰতিনিধিত্ব (Symmetrical Representation) বুলি ক'ব পাৰো। আনহাতে, ৰাষ্ট্ৰখনৰ বিভিন্ন অংশৰ বাবে জনসংখ্যা অনুসৰি প্ৰতিনিধিত্বৰ ব্যৱস্থা কৰিব পৰা যায়। এই দ্বিতীয় পদ্ধতিটোৰ অৰ্থ হৈছে যে দ্বিতীয় সদনত, কম জনসংখ্যা থকা অঞ্চলতকৈ বেছি জনসংখ্যা থকা অঞ্চলৰ প্ৰতিনিধিৰ সংখ্যা বেছিকৈ থাকিব।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছিনেটত প্ৰত্যেক ৰাজ্যৰ পৰা সমান প্ৰতিনিধি থাকে। ইয়াৰদ্বাৰা সকলো ৰাজ্যৰ সমতা নিশ্চিত কৰা হয়। ইয়াৰ ফলত সৰু ৰাজ্য এখনে ডাঙৰ ৰাজ্য এখনৰ সমানে প্ৰতিনিধিত্ব লাভ কৰে। ৰাজ্যসভাৰ বাবে গ্ৰহণ কৰা প্ৰতিনিধিত্বৰ পদ্ধতি আমেৰিকা যুক্তৰাষ্ট্ৰৰ পদ্ধতিতকৈ বেলেগ । প্ৰত্যেক ৰাজ্যৰ পৰা নিৰ্বাচিত হবলগীয়া সদস্যৰ সংখ্যা সংবিধানৰ চতুৰ্থ অনুসূচীৰদ্বাৰা স্থিৰ কৰা হৈছে।

DAILY ASSAM



আমি যদি আমেৰিকাৰ সম প্ৰতিনিধিত্বৰ ব্যৱস্থা ৰাজ্যসভাৰ বাবে গ্ৰহণ কৰিলোহেঁতেন তেতিয়া কি হ'লহেঁতেন? ১৭১৮.২৯ লাখ জনসংখ্যা থকা উত্তৰ প্ৰদেশ আৰু ৫.৭১ লাখ জনসংখ্যা থকা ছিকিমৰ সমান সংখ্যক আসন থাকিলহেঁতেন। সংবিধান প্ৰণেতাসকলে এনে বৈষম্যক বাধা দিব বিচাৰিছিল। অধিক জনসংখ্যাৰ ৰাজ্যৰ প্ৰতিনিধিত্ব কম জনসংখ্যাৰ ৰাজ্যতকৈ বেছি হোৱা উচিত। সেইবাবে উত্তৰ প্ৰদেশৰ দৰে জনবহুল ৰাজ্যই ৰাজ্য সভালৈ ৩১ জন সদস্য পঠিয়ায় আৰু ছিকিমৰ দৰে কম জনসংখ্যা থকা ৰাজ্যৰ ৰাজ্যসভাত এখন আসন আছে।

ৰাজ্যসভাৰ সদস্যসকল ছয়বছৰীয়া কাৰ্যকালৰ বাবে নিৰ্বাচিত হয়। তেওঁলোক পুনৰ নিৰ্বাচিত হ'ব পাৰে। ৰাজ্যসভাৰ সকলো সদস্যৰ কাৰ্য্যকাল একে সময়তে সম্পূৰ্ণ নহয়। প্ৰতি দুবছৰৰ অন্তত ৰাজ্যসভাৰ এক তৃতীয়াংশ সদস্যৰ কাৰ্য্যকাল সম্পূৰ্ণ হয় আৰু কেৱল সেই এক তৃতীয়াংশ আসনৰ বাবেহে নিৰ্বাচন অনুষ্ঠিত হয়। গতিকে, ৰাজ্যসভা কেতিয়াও ভঙ্গ নহয়। সেইবাবে ইয়াক সংসদৰ স্থায়ী সদন বুলি কোৱা হয়। এই ব্যৱস্থাটোৰ সুবিধা হৈছে যে কেতিয়াবা লোকসভা ভঙ্গ হৈ নিৰ্বাচন অনুষ্ঠিত হ'বলৈ

**জাৰ্মানীৰ দ্বিসদনীয় ব্যৱস্থা** (Bicameralism in Germany)

জাৰ্মানীত দ্বিসদনীয় বিধানমণ্ডলৰ ব্যৱস্থা আছে। এই সদন দুখনক যুক্তৰাষ্টীয় সভা (Bundestag) আৰু যুক্তৰাষ্ট্ৰীয় পৰিষদ (Bundesrat) হিচাপে জনা যায়। প্ৰত্যক্ষ আৰু আনুপাতিক প্ৰতিনিধিত্ব এই দুটা পদ্ধতি লগ লগাই এক জটিল ব্যৱস্থাৰ দ্বাৰা চাৰি বছৰৰ বাবে যুক্তৰাষ্ট্ৰীয় সভাখন নিৰ্বাচন কৰা হয়।

যুক্তৰাষ্ট্ৰীয় পৰিষদে ১৬ খন ৰাজ্যক প্ৰতিনিধিত্ব কৰে। ইয়াৰ ৬৯ খন আসন জনসংখ্যাৰ ভিত্তিত ৰাজ্যসমূহৰ মাজত ভাগ কৰা হয়। এই সদস্যসকল সাধাৰণতে ৰাজ্য চৰকাৰৰ মন্ত্ৰী আৰু তেওঁলোকক ৰাজ্য চৰকাৰৰ দ্বাৰা নিযুক্তি দিয়া হয়, নিৰ্বাচন কৰা নহয়। জাৰ্মান আইন অনুসৰি-এখন ৰাজ্যৰ পৰা অহা সদস্যসকলে ৰাজ্য চৰকাৰৰ নিৰ্দেশনা অনুসৰি এটা গোট হিচাপ ভোট দিব লাগে। কেতিয়াবা ৰাজ্যিক পৰ্য্যায়ত সংযুক্ত চৰকাৰ থাকিলে তেওঁলোক সহমতত উপনীত হোৱাত ব্যৰ্থ হ'লে ভোট দানৰ পৰা বিৰত থাকিবলগীয়া হয়।

যুক্তৰাষ্ট্ৰীয় পৰিষদে সকলো আইনৰ ক্ষেত্ৰত ভোটদান নকৰে, কিন্তু যিবোৰ নীতিৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ সমান ক্ষমতা থাকে আৰু ৰাজ্যবোৰ যুক্তৰাষ্ট্ৰীয় নিয়ন্ত্ৰণৰ প্ৰতি দায়বদ্ধ হয় সেই আটাইবোৰতে ইয়াৰ অনুমোদনৰ প্ৰয়োজন হয়। এনে আইনৰ ক্ষেত্ৰত ই ভেটো প্ৰদান কৰিব পাৰে।

DAILY ASSAM



বাকী থকা অৱস্থাত ৰাজ্যসভাৰ অধিবেশন আহ্বান কৰি কোনো জৰুৰী কাম কৰিব পৰা যায়।

নিৰ্বাচিত সদস্যসকলৰ উপৰিও ৰাজ্যসভাত ১২ জন মনোনীত সদস্য থাকে। ৰাষ্ট্ৰপতিয়ে এই সদস্যসকলক মনোনীত কৰে। সাহিত্য, সমাজ-সেৱা, বিজ্ঞান আদি বিষয়ত পাৰদৰ্শিতা দেখুওৱা লোকৰ মাজৰ পৰা এওঁলোকক মনোনীত কৰা হয়।



***কাৰ্য্যাৱলী***

বিভিন্ন ৰাজ্যৰ পৰা নিৰ্বাচিত হোৱা প্ৰতিনিধিৰ সংখ্যা লিখা। ২০০১ চনৰ লোক পিয়ল অনুসৰি ৰাজ্যসমূহৰ জন সংখ্যা আৰু প্ৰতিনিধিৰ সংখ্যা উল্লেখ কৰি এখন তালিকা তৈয়াৰ কৰা।

## লোক সভা (Lok Sabha)

লোকসভা আৰু ৰাজ্যিক বিধান সভাসমূহ জনসাধাৰণৰ দ্বাৰা প্ৰত্যক্ষভাৱে নিৰ্বাচিত হয়। নিৰ্বাচনৰ বাবে সমগ্ৰ ৰাষ্ট্ৰখন (ৰাজ্যিক বিধানসভাৰ ক্ষেত্ৰত ৰাজ্যখন) প্ৰায় সমান জনসংখ্যাৰ কিছুমান ভৌগোলিক সমষ্টিত ভাগ কৰা হয়। প্ৰত্যেকটো সমষ্টিৰ পৰা সাৰ্বজনীন প্ৰাপ্ত বয়স্ক ভোটাধিকাৰ অনুসৰি একোজনকৈ প্ৰতিনিধি নিৰ্বাচন কৰা হয়। এইক্ষেত্ৰত প্ৰত্যেকজন ব্যক্তিৰ ভোটৰ মূল্য একে। বৰ্তমান ৫৪৩ টা সমষ্টি আছে। এই সংখ্যা ১৯৭১ চনৰ পৰা সলনি হোৱা নাই।

লোকসভা পাঁচ বছৰীয়া কাৰ্য্যকালৰ বাবে নিৰ্বাচিত হয়। এয়া হৈছে সৰ্বোচ্চ কাৰ্য্যকাল। কাৰ্য্যপালিকা অধ্যায়টোত আমি পাইছো যে পাঁচবছৰীয়া কাৰ্য্যকাল সম্পূৰ্ণ হোৱাৰ আগতেও কোনো এটা বা ততোধিক দলে চৰকাৰ গঠন কৰিব নোৱাৰিলে লোকসভা ভঙ্গ কৰিব পৰা যায়। তদুপৰি প্ৰধান মন্ত্ৰীৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰপতিয়ে লোকসভা ভঙ্গ কৰি নতুন নিৰ্বাচনৰ ব্যৱস্থা কৰিব পাৰে।



*ক্ৰীড়াবিদ, শিল্পী, আৰু বৈজ্ঞানিকসকলক মনোনীত কৰাৰ ব্যৱস্থা কিয় আছে সেই কথা মই বুজি নাপাওঁ। তেওঁলোকে কাক প্ৰতিনিধিত্ব কৰে? ৰাজ্যসভাৰ কাম কাজত সচাঁকৈয়ে তেওঁলোকে কিবা অৱদান যোগায়নে?*

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

- ৰাজ্যসভাৰ গঠনে ৰাজ্যসমূহৰ স্থান সুৰক্ষিত কৰিছে বুলি তুমি ভাবানে?
- ৰাজ্যসভাৰ পৰোক্ষ নিৰ্বাচন পদ্ধতিটো সলনি কৰি প্ৰত্যক্ষ নিৰ্বাচন কৰাটো উচিত বুলি ভাবানে ? ইয়াৰ সুবিধা আৰু অসুবিধাবোৰ কি হ'ব?
- ১৯৭১ চনৰ পৰা লোকসভাৰ আসনৰ সংখ্যা বৃদ্ধি কৰা হোৱা নাই । ইয়াক বৃদ্ধি কৰিব লাগে বুলি ভাবানে? ইয়াৰ ভিত্তি কি হোৱা উচিত?

## সংসদে কি কৰে ? (What does the Parliament do?)

বিধানমণ্ডলৰ কাম কি? সংসদৰ দুয়োখন সদনে একে কাৰ্য্য কৰে নে? দুয়োখন সদনৰ ক্ষমতাৰ পাৰ্থক্য আছে নে ?

আইন প্ৰণয়নৰ উপৰিও আন বহুতো কামৰ লগত সংসদ জড়িত হৈ থাকে। সংসদৰ এই কামবোৰৰ আমি তালিকা বনাওঁ আহা ঃ

- আইন প্ৰণয়ন কাৰ্য্য (Legislative Function) ঃ সংসদে সমগ্ৰ দেশৰ বাবে আইন প্ৰণয়ন কৰে। আইন প্ৰণয়নৰ মুখ্য গোট হোৱা সত্বেও সংসদে প্ৰায়ে আইন প্ৰণয়নত কেৱল অনুমোদনহে জনায়। বিধেয়কৰ (Bill) খচৰা প্ৰস্তুতকৰণৰ প্ৰকৃত কাম বিভাগীয় মন্ত্ৰীৰ তত্বাৱধানত আমোলাইহে কৰে। বিধেয়কখনৰ সাৰমৰ্ম আৰু আনকি সময়ও মন্ত্ৰীসভাইহে ঠিক কৰে। মন্ত্ৰীসভাৰ অনুমোদন অবিহনে কোনো গুৰুত্বপূৰ্ণ বিধেয়ক সংসদত উত্থাপন কৰা নহয়। মন্ত্ৰীৰ উপৰিও আন সদস্যইও বিধেয়ক উত্থাপন কৰিব পাৰে, কিন্তু চৰকাৰৰ সমৰ্থন অবিহনে এইবোৰে অনুমোদন লাভ কৰাৰ সম্ভাৱনা নাথাকে।
- কাৰ্য্যপালিকাক নিয়ন্ত্ৰণ কৰা আৰু ইয়াৰ দায়বদ্ধতা নিশ্চিত কৰা (Control of Executive and ensuring its accountability) ঃ সম্ভৱতঃ সংসদৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰ্য্য হৈছে, কাৰ্য্যপালিকাই যাতে নিজৰ কৰ্তৃত্ব গণ্ডীৰ


DAILY ASSAM



বাহিৰ হৈ নাযায় আৰু তেওঁলোকক নিৰ্বাচন কৰা জনসাধাৰণৰ প্ৰতি দায়বদ্ধ হৈ থাকে সেইকথা নিশ্চিত কৰা। এই কাৰ্য্যৰ বিষয়ে অধ্যায়টোৰ শেষৰ ফালে আমি বিশদভাৱে আলোচনা কৰিম।

- বিত্তীয় কাৰ্য্য (Financial Function) ঃ চৰকাৰে বিভিন্ন কাৰ্য্যত বহুতো টকা পইচা খৰছ কৰিবলগীয়া হয়। এই অৰ্থ ক'ৰ পৰা আহে? প্ৰত্যেক চৰকাৰে কৰৰ জৰিয়তে অৰ্থ সংগ্ৰহ কৰে। অৱশ্যে, এখন গণতান্ত্ৰিক দেশত বিধানমণ্ডলে কৰ প্ৰক্ৰিয়া নিয়ন্ত্ৰণ কৰে আৰু চৰকাৰে কেনেদৰে অৰ্থ ব্যয় কৰিব সেইকথা নিৰ্ণয় কৰে। ভাৰত চৰকাৰে কোনো নতুন কৰ প্ৰৱৰ্তনৰ কথা উত্থাপন কৰিলে, লোকসভাই সেইবিষয়ত অনুমোদন জনাব লাগিব। সংসদৰ বিত্তীয় ক্ষমতাত চৰকাৰী কাৰ্য্য ৰূপায়ণৰ বাবে অৰ্থৰ মঞ্জুৰী প্ৰদানৰ কথা জড়িত হৈ থাকে। চৰকাৰে কিমান অৰ্থ খৰছ কৰিছে আৰু কিমান সম্পদ খৰছ কৰিব বিচাৰে সেই হিচাপ বিধানমণ্ডলত দাখিল কৰিব লাগে। চৰকাৰে যাতে অপব্যয় (Misspend)

## ব্যঙ্গ চিত্ৰখন পঢ়া




সংসদ হৈছে মূৰব্বী আৰু ইয়াত মন্ত্ৰীসকলক বৰ নিৰীহ যেন দেখা গৈছে। এয়া হৈছে সংসদৰ বিভিন্ন মন্ত্ৰালয়ক অৰ্থৰ অনুমোদন দিব পৰা ক্ষমতাৰ প্ৰভাৱ।

বা অধিক ব্যয় (Over spend) নকৰে সেই কথাও বিধানমণ্ডলে নিশ্চিত কৰিব লাগে। বাজেট আৰু বাৰ্ষিক অৰ্থনৈতিক বিবৃতিৰ (Annual Financial statement) জৰিয়তে এই কাম কৰা হয়।

- প্ৰতিনিধিত্ব (Representation) ঃ সংসদে ৰাষ্ট্ৰখনৰ বিভিন্ন অংশৰ বেলেগ বেলেগ আঞ্চলিক, সামাজিক, অৰ্থনৈতিক আৰু ধৰ্মীয় গোটৰ ভিন্নমুখী মতামতৰ প্ৰতিনিধিত্ব কৰে।
- বিতৰ্ক কাৰ্য্য (Debating function) ঃ সংসদ হৈছে ৰাষ্ট্ৰখনৰ সৰ্বোচ্চ বিতৰ্কৰ মঞ্চ। ইয়াৰ আলোচনা কৰিব পৰা ক্ষমতাৰ কোনো সীমাবদ্ধতা নাই। সদস্যসকলে যি কোনো বিষয়ত নিৰ্ভয়ে মুকলি মনেৰে কথা কব পাৰে। ইয়াৰ ফলত ৰাষ্ট্ৰই সন্মুখীন হোৱা যিকোনো সমস্যা সংসদত বিশ্লেষণ কৰি চোৱাটো সম্ভৱ হয়। এই আলোচনাবোৰেই হৈছে গণতান্ত্ৰিক সিদ্ধান্ত গ্ৰহণৰ মূল ভিত্তি।
- সাংবিধানিক কাৰ্য্য (Constituent Function) ঃ সংবিধান সংশোধনৰ বিষয়ে আলোচনা কৰা আৰু কাৰ্য্যকৰী কৰা ক্ষমতা সংসদৰ আছে। দুয়োখন সদনৰ সংবিধান সম্পৰ্কীয় ক্ষমতা একে। সংবিধান সংশোধনৰ সকলো প্ৰস্তাৱ দুয়োখন সদনৰ বিশেষ সংখ্যাগৰিষ্ঠ সদস্যৰ (Special majority) দ্বাৰা অনুমোদিত হ'ব লাগিব।
- নিৰ্বাচন সম্পৰ্কীয় কাৰ্য্য (Electoral Function) ঃ সংসদে কিছুমান নিৰ্বাচন সম্পৰ্কীয় কাৰ্য্যও কৰে। ই ভাৰতৰ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিক নিৰ্বাচন কৰে।
- ন্যায়িক কাৰ্য্য (Judicial Functions) ঃ ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলক অপসাৰণৰ প্ৰস্তাৱ বিবেচনা কৰাটো সংসদৰ ন্যায়িক কাৰ্য্যৰ অন্তৰ্ভূক্ত।

**ৰাজ্যসভাৰ ক্ষমতা** (Powers of Rajya Sabha)

**ওপৰত** আমি সংসদৰ সাধাৰণ কাৰ্য্যসমূহৰ বিষয়ে আলোচনা কৰিছো অৱশ্যে দ্বিসদনীয় বিধানমণ্ডলৰ দুয়োখন সদনৰ ক্ষমতাৰ কিছু পাৰ্থক্য থাকে। লোকসভা আৰু ৰাজ্যসভাৰ ক্ষমতাৰ বিষয়ে উল্লেখ থকা তালিকা দুখন চোৱা।

DAILY ASSAM



**লোকসভাৰ ক্ষমতা**

- কেন্দ্ৰীয় সূচী আৰু সমৱৰ্তী সূচীত থকা বিষয়ত আইন প্ৰণয়ন কৰে। বিত্ত বিধেয়ক আৰু অনা-বিত্ত বিধেয়ক (non-money bill) উত্থাপন আৰু প্ৰণয়ন কৰিব পাৰে।
- কৰ, বাজেট আৰু বাৰ্ষিক বিত্তীয় বিবৃতিৰ প্ৰস্তাৱত অনুমোদন জনায়।
- প্ৰশ্ন, পৰিপূৰক প্ৰশ্ন, প্ৰস্তাৱ আৰু অনাস্থা প্ৰস্তাৱৰ দ্বাৰা কাৰ্য্যপালিকাক নিয়ন্ত্ৰণ কৰে।
- সংবিধান সংশোধন কৰে।
- জৰুৰী অৱস্থা ঘোষণাক অনুমোদন জনায়।
- ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিক নিৰ্বাচন কৰে আৰু উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলক অপসাৰণ কৰিব পাৰে।
- কমিটি আৰু আয়োগ গঠন কৰে আৰু সেইবোৰৰ প্ৰতিবেদন পৰ্য্যালোচনা কৰে।

**ৰাজ্যসভাৰ ক্ষমতা**

- অনা-বিত্ত বিধেয়ক বিবেচনা আৰু অনুমোদন কৰে আৰু বিত্ত বিধেয়কত সংশোধনৰ পৰামৰ্শ দিয়ে।
- সংবিধান সংশোধনীত অনুমোদন জনায়।
- প্ৰশ্ন আৰু প্ৰস্তাৱ উত্থাপন কৰি কাৰ্য্যপালিকাক নিয়ন্ত্ৰণ কৰে।
- ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ নিৰ্বাচন আৰু অপসাৰণত অংশ গ্ৰহণ কৰে। উপ-ৰাষ্ট্ৰপতিৰ অপসাৰণৰ প্ৰস্তাৱ কেৱল ৰাজ্যসভাতহে উত্থাপন কৰিব পাৰি।
- ৰাজ্যিক সূচীত থকা বিষয়ত আইন প্ৰণয়ন কৰিবলৈ সংসদক ক্ষমতা প্ৰদান কৰিব পাৰে

## ৰাজ্যসভাৰ বিশেষ ক্ষমতা (Special powers of Rajya Sabha)

তোমালোকে জানা যে ৰাজ্যসমূহক প্ৰতিনিধিত্ব কৰিবলৈ ৰাজ্য সভা হৈছে আনুষ্ঠানিক আহিলা (Institutional Mechanism)। ইয়াৰ উদ্দেশ্য হৈছে ৰাজ্যসমূহৰ ক্ষমতা সুৰক্ষিত কৰা। সেইবাবে ৰাজ্যসমূহত প্ৰভাৱ পেলোৱা যিকোনো বিষয় ৰাজ্য সভাৰ সন্মতি আৰু অনুমোদনৰ বাবে পঠিয়াব লাগে। যদি কেন্দ্ৰীয় সংসদে ৰাষ্ট্ৰীয় স্বাৰ্থত ৰাজ্যিক তালিকাৰ (যিবোৰ বিষয়ত কেৱল ৰাজ্যিক বিধান মণ্ডলেহে আইন প্ৰণয়ন কৰিব পাৰে) কোনো বিষয় আঁতৰাই কেন্দ্ৰীয় সূচী বা সমবৰ্তী সূচীৰ অন্তৰ্ভূক্ত কৰিব বিচাৰে, তেনে ক্ষেত্ৰত ৰাজ্য সভাৰ অনুমোদনৰ আৱশ্যক হয়। এই ব্যৱস্থাই ৰাজ্য সভাৰ ক্ষমতা বৃদ্ধি কৰিছে।

DAILY ASSAM



কেৱল লোকসভাই প্ৰয়োগ কৰা ক্ষমতাসমূহ (Powers exercised only by the Lok Sabha) ঃ কিছুমান ক্ষমতা কেৱল লোকসভাইহে প্ৰয়োগ কৰে। ৰাজ্য সভাই বিত্ত বিধেয়ক উত্থাপন, বাতিল বা সংশোধন কৰিব নোৱাৰে। মন্ত্ৰী পৰিষদ লোকসভাৰ ওচৰতহে দায়বদ্ধ, ৰাজ্য সভাৰ ওচৰত নহয়। গতিকে ৰাজ্য-সভাই চৰকাৰক সমালোচনা কৰিব পাৰে, কিন্তু অপসাৰণ কৰিব নোৱাৰে।

কিয় কব পাৰিবানে? ৰাজ্য সভা জনসাধাৰণৰ দ্বাৰা প্ৰত্যক্ষভাৱে নিৰ্বাচিত নহয়, বিধায়ক সকলৰদ্বাৰাহে নিৰ্বাচিত হয়। সেইবাবে সংবিধানে ৰাজ্য সভাক কিছুমান ক্ষমতা প্ৰদান কৰা নাই। আমাৰ সংবিধানে গণতান্ত্ৰিক চৰকাৰৰ ব্যৱস্থা কৰিছে। এনে ব্যৱস্থাত চূড়ান্ত কৰ্তৃত্ব জনসাধাৰণৰ হাতত থাকে। এই যুক্তি অনুসৰি জনসাধাৰণৰ দ্বাৰা প্ৰত্যক্ষভাৱে নিৰ্বাচিত প্ৰতিনিধিৰহে চৰকাৰক আপসাৰণ কৰা আৰু বিত্ত নিয়ন্ত্ৰণৰ ক্ষমতা থকা উচিত।

আন সকলো ক্ষেত্ৰতে, অনা-বিত্ত বিধেয়ক (Non-money bill), সংবিধান সংশোধন আৰু ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে মহা অভিযোগ উত্থাপন আৰু উপ-ৰাষ্ট্ৰপতিক অপসাৰণ কৰাৰ ক্ষেত্ৰত লোক সভা আৰু ৰাজ্য সভাৰ সমান ক্ষমতা আছে।


## সংসদে কেনেকৈ আইন প্ৰণয়ন কৰে?(How does Parliament make laws)

যি কোনো বিধানমণ্ডলৰ মূল কাৰ্য্য হৈছে জনসাধাৰণৰ বাবে আইন প্ৰণয়ন কৰা। আইন প্ৰণয়নৰ ক্ষেত্ৰত এটা নিৰ্দিষ্ট প্ৰক্ৰিয়া অনুসৰণ কৰা হয়। আইন প্ৰণয়নৰ কিছুমান পদ্ধতি সংবিধানত উল্লেখ কৰা হৈছে, আৰু আন কিছুমান প্ৰথাৰ পৰা উদ্ভৱ হৈছে। আইন প্ৰণয়ন প্ৰক্ৰিয়াৰদ্বাৰা বিধেয়ক এখন কেনেদৰে আইনত পৰিণত হয় সেইকথা লক্ষ্য কৰিলে গম পোৱা যায় আইন প্ৰণয়ন প্ৰক্ৰিয়া কাৰিকৰী, দীঘলীয়া আৰু বিৰক্তিকৰ।

বিধেয়ক হৈছে প্ৰস্তাৱিত আইনৰ এখনৰ খচৰা। বিধেয়ক বিভিন্ন ধৰণৰ হ'ব পাৰে। মন্ত্ৰীৰ বাহিৰে আন সদস্যই বিধেয়ক উত্থাপন কৰিলে ইয়াক বেচৰকাৰী বিধেয়ক বুলি কোৱা হয়। মন্ত্ৰীয়ে প্ৰস্তাৱ কৰা বিধেয়কক চৰকাৰী বিধেয়ক বুলি কোৱা হয়। এতিয়া আমি এখন বিধেয়কৰ বিভিন্ন পৰ্য্যায় লক্ষ্য কৰো আঁহা।

DAILY ASSAM







সংসদত বিধেয়ক এখন উত্থাপন কৰাৰ আগতেও বিধেয়ক খন উত্থাপন কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কে যথেষ্ট বিতৰ্ক হব পাৰে। কোনো ৰাজনৈতিক দলে চৰকাৰক নিৰ্বাচনী প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ বা আসন্ন নিৰ্বাচনত জয় লাভৰ সম্ভাৱনা উন্নত কৰিবলৈ কোনো বিধেয়ক উত্থাপনৰ বাবে হেঁচা প্ৰয়োগ কৰিব পাৰে। স্বাৰ্থ গোষ্ঠী, সংবাদ মাধ্যম আৰু নাগৰিকৰ মঞ্চয়ো (Citizens' forum) কোনো বিশেষ আইনৰ

DAILY ASSAM






প্ৰয়োজনীয়তাৰ বিষয়ে চৰকাৰক প্ৰত্যয় জন্মাব পাৰে। গতিকে আইন প্ৰণয়ন কেৱল আইনগত প্ৰক্ৰিয়া নহয়, ইয়াৰ লগত বিভিন্ন ৰাজনৈতিক কাৰ্য্যও জড়িত হৈ থাকে। বিধেয়ক এখন প্ৰস্তুত কৰোতেই, আইনখন ৰূপায়ণ কৰিবলৈ প্ৰয়োজন হোৱা সম্পদ, বিধেয়কখন সৃষ্টি কৰিব পৰা সঁহাৰি আৰু বিৰোধ, ভৱিষ্যত নিৰ্বাচনত শাসক দলত আইনখনে পেলাব পৰা প্ৰভাৱ আদি বিভিন্ন কথা বিবেচনা কৰা হয়। বৰ্তমানৰ সংযুক্ত ৰাজনীতিৰ (Coalition politics) সময়ত, চৰকাৰে প্ৰস্তাব কৰা বিধেয়ক এখন সহযোগী দলসমূহৰ বাবেও গ্ৰহণযোগ্য হ'ব লাগে। এনেধৰণৰ বাস্তৱত বিবেচনা কৰিবলগীয়া কথাবোৰ আওকাণ কৰিব পৰা নাযায়। আইন এখন প্ৰণয়ন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ আগতে মন্ত্ৰীসভাই এই আটাইবোৰ কথা বিবেচনা কৰি চায়।

আইন প্ৰণয়নৰ পৃষ্ঠভূমিত থকা নীতিয়ে মন্ত্ৰীসভাত অনুমোদন লাভ কৰাৰ পিছত আইনৰ খচৰা প্ৰস্তুত কৰা কাৰ্য্য আৰম্ভ হয়। বিধেয়ক এখনৰ খচৰা প্ৰস্তুত কাৰ্য্য সংশ্লিষ্ট মন্ত্ৰণালয়ে কৰে। উদাহৰণস্বৰূপে, ছোৱালীৰ বিয়াৰ বয়স ১৮ বছৰৰ পৰা ২১ বছৰলৈ বৃদ্ধি কৰিবলৈ আইন মন্ত্ৰণালয়ে এখন বিধেয়ক উত্থাপন কৰিব পাৰে। মহিলা আৰু শিশু কল্যাণ মন্ত্ৰণালয়ো এই কাৰ্য্যত জড়িত হ'ব পাৰে। এখন বিধেয়ক লোকসভা বা

DAILY ASSAM




ৰাজ্যসভা যি কোনো এখন সদনত সদনৰ সদস্যৰদ্বাৰা উত্থাপন কৰিব পৰা যায়। (প্ৰায়ে সংশ্লিষ্ট মন্ত্ৰীয়ে বিধেয়ক উত্থাপন কৰে)। এখন বিত্ত বিধেয়ক কেৱল লোকসভাতহে উত্থাপন কৰিব পাৰি। লোকসভাত অনুমোদন লাভ কৰাৰ পিছত বিধেয়কখন ৰাজ্য সভালৈ পঠিওৱা হয়।

বিধেয়ক বিলাকৰ ক্ষেত্ৰত বেছিভাগ আলোচনা কমিটিবিলাকত হয়। কমিটিৰ পৰামৰ্শ সদনলৈ পঠিওৱা হয়। সেইবাবে কমিটিবিলাকক ক্ষুদ্ৰ বিধান মণ্ডল বুলি কোৱা হয়। এয়া হৈছে আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ দ্বিতীয় পৰ্য্যায়। তৃতীয় আৰু শেষ পৰ্য্যয়ত বিধেয়কখনত ভোট গ্ৰহণ কৰা হয়। অনা বিত্ত বিধেয়কসমূহ এখন সদনত অনুমোদিত হোৱাৰ পিছত আনখন সদনলৈ পঠিওৱা হয় আৰু তাতো বিধেয়কখন একে প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়ে।

তোমালোকে জানা যে আইন প্ৰণয়নৰ ক্ষেত্ৰত বিধেয়ক এখনে দুয়োখন সদনত অনুমোদন লাভ কৰিব লাগে। প্ৰস্তাৱিত বিধেয়ক এখনত দুয়োখন সদনৰ মাজত মতানৈক্য হলে সংসদৰ যুটীয়া অধিবেশনত ইয়াক দূৰ কৰিবলৈ চেষ্টা কৰা হয়। সংসদৰ অচল অৱস্থা দূৰ কৰিবলৈ ইতিমধ্যে যি কেইবাৰ যুটীয়া অধিবেশন আহবান কৰা হৈছিল, সেই আটাইকেইবাৰ লোকসভাৰ পক্ষতেই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

বিত্ত বিধেয়কৰ ক্ষেত্ৰত ৰাজ্যসভাই বিধেয়কখনত অনুমোদন জনাব পাৰে বা সংশোধনৰ বাবে পৰামৰ্শ দিব পাৰে, কিন্তু নাকচ কৰিব নোৱাৰে। যদি ১৪ দিনৰ ভিতৰত ই কোনো ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়াহলে বিধেয়কখন গৃহীত হোৱা বুলি ধৰি লোৱা হয়। ৰাজ্যসভাই আগবঢ়োৱা সংশোধনী পৰামৰ্শ লোকসভাই গ্ৰহণ কৰিবও পাৰে বা নকৰিবও পাৰে। দুয়োখন সদনত গৃহীত হোৱাৰ পিছত, বিধেয়ক এখন ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে পঠিওৱা হয়। ৰাষ্ট্ৰপতিৰ সন্মতি লাভ কৰিলে বিধেয়কখন আইনত পৰিণত হয়।

**ব্যঙ্গ চিত্ৰখন পঢ়া**



'OK, let's not argue! Let's settle the issue through consensus: You support the bill and I will oppose it!'

R K Laxman in The Times of India.

এনেকৈয়ে তেওঁলোকে 'ক্ৰীড়াৰ নিয়মাৱলী' মানি চলে নে?

DAILY ASSAM



*১০৯ নং অনুচ্ছেদ*
*বিত্ত বিধেয়কৰ বাবে বিশেষ ব্যৱস্থা— (১)*
*বিত্ত বিধেয়ক ৰাজ্য সভাত*
*উত্থাপন কৰিব নোৱাৰি*

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

- আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰাৰ পিছত, তুমি ভাবা নেকি যে সংসদে বিধেয়কসমূহ পুংখানুপুংখভাৱে আলোচনা কৰিবলৈ যথেষ্ট সময় দিব পাৰে? যদি নোৱাৰে, এই অসুবিধা আঁতৰ কৰিবলৈ তুমি কেনে ধৰণৰ প্ৰতিকাৰৰ পৰামৰ্শ আগবঢ়াবা?

## সংসদে কাৰ্য্যপালিকাক কেনেকৈ নিয়ন্ত্ৰণ কৰে? (How does the Parliament Control the Executive?)

সংসদীয় গণতন্ত্ৰত লোকসভাত সংখ্যাগৰিষ্ঠতা থকা এটা দল বা সন্মিলিত দল কেইটামানৰ পৰা কাৰ্য্যপালিকা বাছি লোৱা হয়। সংখ্যাগৰিষ্ঠ দলৰ সমৰ্থনত কাৰ্য্যপালিকাই সীমাহীন ভাৱে বা স্বেচ্ছাচাৰীভাৱে ক্ষমতা প্ৰয়োগ কৰাত কোনো ধৰণৰ অসুবিধা নহয়। এনে অৱস্থাত সংসদীয় গণতন্ত্ৰৰ মন্ত্ৰীসভা একনায়কত্ববাদত পৰিণত হ'ব পাৰে, য'ত মন্ত্ৰীসভাই নেতৃত্ব দিয়ে আৰু সংসদে কেৱল অনুসৰণ কৰে। সংসদ সক্ৰিয় আৰু সতৰ্ক হলেহে কাৰ্য্যপালিকাক নিয়মীয়া আৰু ফলপ্ৰসূভাৱে নিয়ন্ত্ৰণ কৰি ৰাখিব পাৰে। সংসদে কাৰ্য্যপালিকাক বিভিন্ন ধৰণে নিয়ন্ত্ৰণ কৰিব পাৰে। কিন্তু এইবোৰৰ মূলতেই সাংসদসকলৰ জনসাধাৰণৰ প্ৰতিনিধি হিচাপে ফলপ্ৰদ আৰু নিৰ্ভীকভাবে কাম কৰাৰ ক্ষমতা আৰু স্বাধীনতা থাকিব লাগিব। উদাহৰণস্বৰূপে, বিধানমণ্ডলত সদস্য এজনে যিয়েই নকওক লাগিলে, তেওঁৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাযায়। ইয়াক সংসদীয় বিশেষাধিকাৰ (Parliamentary privilege)

বুলি জনা যায়। বিশেষাধিকাৰ ভঙ্গৰ বিষয়ত সদনৰ সভাপতিৰ সিদ্ধান্তই চূড়ান্ত ।

এনে বিশেষধিকাৰৰ মূল উদ্দেশ্য হৈছে বিধানমণ্ডলৰ প্ৰতিনিধি সকলক জনসাধাৰণক প্ৰতিনিধিত্ব কৰিবলৈ আৰু কাৰ্য্যপালিকাক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম কৰি তোলা । এনে ধৰণৰ নিয়ন্ত্ৰণ সংসদে কাৰ্য্যক্ষেত্ৰত কেনেকৈ প্ৰয়োগ কৰে? ই কেনে ধৰণৰ উপায় অৱলম্বন কৰিব পাৰে ? কাৰ্য্যপালিকাৰ আতিশয্য কৰ্তন কৰিবলৈ সংসদ সমৰ্থ হৈছেনে?

## সংসদীয় নিয়ন্ত্ৰণৰ আহিলাসমূহ (Instruments of Parliamentary Control)

সংসদীয় ব্যৱস্থাত বিধানমণ্ডলে নীতি নিৰ্দ্ধাৰণৰ সময়ত আইন বা নীতি ৰূপায়ণ আৰু ৰূপায়ণৰ পিছৰ পৰ্য্যায়ত কাৰ্য্যপালিকাৰ দায়বদ্ধতা নিশ্চিত কৰে। বিধানমণ্ডলে বিভিন্ন উপায় অৱলম্বন কৰি এই কাম কৰে-

- পৰ্য্যালোচনা আৰু আলোচনা (Deliberation and discussion)
- আইনৰ অনুমোদন বা নাকচ (Approval or refusal of laws)
- বিত্তীয় নিয়ন্ত্ৰণ (Financial control)
- অনাস্থা প্ৰস্তাৱ (No confidence motion)

*পৰ্যালোচনা আৰু আলোচনা (Deliberation and discussion)* ঃ আইন প্ৰণয়ন প্ৰক্ৰিয়াত, বিধানমণ্ডলৰ সদস্যসকলে কাৰ্য্য পালিকাৰ নীতি নিৰ্দেশনা আৰু নীতি সমূহ কি উপায়ে ৰূপায়ণ কৰা হয় সেই বিষয়ে পৰ্য্যালোচনা কৰাৰ সুবিধা পায়। বিধেয়বোৰৰ বিষয়ে পৰ্য্যালোচনা কৰাৰ উপৰিও সদনত সাধাৰণ আলোচনাৰ সময়তো নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পাৰে। সংসদৰ অধিবেশনৰ সময়ছোৱাত সদায় প্ৰশ্নোত্তৰ কাল (Question hour) হয় আৰু তেতিয়া সদস্যসকলে উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ মন্ত্ৰীসকলে দিব লাগে ।

শূন্য কালত (Zero hour) সদস্যসকলে গুৰুত্বপূৰ্ণ বুলি ভবা যি কোনো বিষয় উত্থাপন কৰিব পাৰে (অৱশ্যে মন্ত্ৰীসকলে উত্তৰ দিবলৈ বাধ্য নহয়)। জনসাধাৰণৰ বাবে গুৰুত্বপূৰ্ণ বিষয়ত আধাঘন্টীয়া আলোচনা (Half-an-hour discussion) সভা স্থগিত প্ৰস্তাৱ (adjournment motion) আদি হৈছে কাৰ্য্যপালিকাক নিয়ন্ত্ৰণ কৰা কিছুমান আহিলা।

**সম্ভৱত** ঃ প্ৰশ্নোত্তৰ কালেই হৈছে কাৰ্য্যপালিকা আৰু চৰকাৰৰ প্ৰশাসনীয় সংস্থাসমূহৰ ওপৰত সতৰ্ক দৃষ্টি ৰখাৰ আটাইতকৈ কাৰ্য্যকৰী উপায়। সংসদৰ সদস্যসকলে প্ৰশ্নোত্তৰ কালৰ প্ৰতি যথেষ্ট আগ্ৰহ দেখুৱায় আৰু এই সময়ছোৱাতেই

DAILY ASSAM



উপস্থিতিৰ সংখ্যা আটাইতকৈ বেছি। বেছিভাগ প্ৰশ্নৰ উদ্দেশ্য হৈছে মূল্য বৃদ্ধি, খাদ্য-শস্যৰ সহজলভ্যতা, সমাজৰ দুৰ্বল শ্ৰেণীৰ ওপৰত অত্যাচাৰ, সংঘৰ্ষ (riot), ক'লা বজাৰ-আদি জনস্বাৰ্থ-জড়িত বিষয়ত চৰকাৰৰ পৰা তথ্য আহৰণ কৰা। ইয়াৰ দ্বাৰা সদস্যসকলে চৰকাৰক সমালোচনা কৰাৰ আৰু নিজৰ সমষ্টিৰ সমস্যা উত্থাপন কৰাৰ সুবিধা লাভ কৰে । প্ৰশ্নোত্তৰ কালৰ আলোচনা ইমান উত্তপ্ত হয় যে সদস্য সকলে উচ্চ স্বৰত কথা কোৱা, সদনৰ ৱেললৈ ( Well of the house) অগ্ৰসৰ হোৱা, বা নিজৰ দাবী সাব্যস্ত কৰিবলৈ প্ৰতিবাদ জনাই ওলাই অহা আদি সেই সময়ছোৱাৰ সাধাৰণ ঘটনা। ইয়াৰ ফলত বিধায়িনী কাম কাজত যথেষ্ট লোকচান হয় । অৱশ্যে আমি এই কথাও মনত ৰাখিব লাগিব যে এইবোৰ কাৰ্য্যৰ কিছুমান হৈছে চৰকাৰৰ পৰা বিশেষ সুবিধা আদায় কৰিব পৰা ৰাজনৈতিক কৌশল । তদুপৰি এনে প্ৰক্ৰিয়াৰ দ্বাৰা কাৰ্য্যপালিকাৰ দায়বদ্ধতা আদায় কৰিব পৰা যায় ।



*ইমানবোৰ 'ষ্টিংঅপাৰেচন' (Sting operation) হৈ থকা সত্বেও মন্ত্ৰীসকলে এতিয়াও য'তে ত'তে যিকোনো কথা মুকলিকৈ কৈ ফুৰিব পাৰেনে?*

*আইনৰ অনুমোদন আৰু সন্মতি (Approval and Ratification of Laws)* ঃ সংসদে ইয়াৰ সন্মতিসূচক ক্ষমতাৰদ্বাৰাও সংসদীয় নিয়ন্ত্ৰণ কাৰ্য্য কৰিব পাৰে। সংসদৰ অনুমোদন লাভ কৰিলেহে বিধেয়ক এখন আইনত পৰিণত হ'ব পাৰে। নিয়ন্ত্ৰিত সংখ্যাগৰিষ্ঠৰ সমৰ্থন থকা চৰকাৰ এখনে বিধানমণ্ডলৰ সমৰ্থন লাভ কৰাত অসুবিধা নাপায়। অৱশ্যে এনে অনুমোদন সহজলভ্য বুলি ধৰি লব পৰা নাযায়। শাসক দল বা সংযুক্ত দলবোৰৰ সদস্যসকলৰ মাজত আৰু আনকি চৰকাৰৰ আৰু বিৰোধী দলৰ মাজতো যথেষ্ট দৰ-দাম আৰু আলাপ আলোচনাৰ ফলতহে সেয়া সম্ভৱ হয়। ১৯৭৭ চনৰ জনতা চৰকাৰৰ শাসনৰ সময়ত আৰু ২০০০ চনত এন.ডি.এ.ৰ (N.D.A.) শাসনৰ সময়ৰ নিচিনা যদি লোকসভাত চৰকাৰৰ সংখ্যাগৰিষ্ঠতা থাকে আৰু ৰাজ্যসভাত সংখ্যাগৰিষ্ঠতা নাথাকে, তেতিয়াহ'লে দুয়োখন সদনৰ অনুমোদন লাভ কৰিবলৈ চৰকাৰে কিছুমান বিশেষ অনুগ্ৰহ প্ৰদান কৰিবলৈ বাধ্য হয়। বহুতো বিধেয়ক, যেনে-লোকপাল, সন্ত্ৰাসবাদ নিবাৰণ বিধেয়ক, ২০০২ (Prevention of Terrorism Bill) আদি ৰাজ্যসভাৰ অনুমোদন লাভ নকৰা বাবে বাতিল হৈছিল।



*মন্ত্ৰী হোৱাটো নিশ্চয় টান কাম। এয়া প্ৰায় সদায় পৰীক্ষা দিয়াৰ নিচিনা কথা*

DAILY ASSAM



*বিত্তীয় নিয়ন্ত্ৰণ (Financial Control)* ঃ আগতেই উল্লেখ কৰা হৈছে যে চৰকাৰী কাৰ্য্যসূচী ৰূপায়ণ কৰিবলৈ প্ৰয়োজন হোৱা বিত্তীয় সম্পদ বাজেটৰ জৰিয়তে মঞ্জুৰ কৰা হয়। বিধানমণ্ডলৰ অনুমোদনৰ বাবে বাজেট প্ৰস্তুত আৰু উত্থাপন কৰিবলৈ চৰকাৰ সাংবিধানিকভাৱে বাধ্য। এনে বাধ্যবাধকতাৰ ফলতেই বিধানমণ্ডলে চৰকাৰী ধনৰ পুঁজি নিয়ন্ত্ৰণ কৰিব পাৰে। বিধানমণ্ডলে চৰকাৰক সম্পদ মঞ্জুৰ কৰিবলৈ মান্তি নহ'ব পাৰে। অৱশ্যে এনে ঘটনা সাধাৰণতে নঘটে, কিয়নো সংসদীয় ব্যৱস্থাত চৰকাৰে সংখ্যাগৰিষ্ঠ সদস্যৰ সমৰ্থন লাভ কৰি থাকে। অৱশ্যে অৰ্থ মঞ্জুৰ কৰাৰ আগেয়ে লোকসভাই চৰকাৰে-অৰ্থ-বিচৰাৰ কাৰণসমূহ আলোচনা কৰিব পাৰে। তদুপৰি নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক (Comptroller and Auditor General) আৰু চৰকাৰী হিচাপ পৰীক্ষা কমিটিৰ (Public Accounts Committee) প্ৰতিবেদন অনুসৰি লোকসভাই পুঁজিৰ অপব্যৱহাৰৰ ঘটনাৰ অনুসন্ধান কৰিব পাৰে । কিন্তু বিধানমণ্ডলৰ নিয়ন্ত্ৰণ কেৱল বিত্তীয় যুক্তিযুক্ততা প্ৰতিপন্ন কৰাৰ বাবেই নহয়, বাজেটত প্ৰতিফলিত হোৱা চৰকাৰী নীতিৰ বিষয়তো বিধানমণ্ডলে গুৰুত্ব আৰোপ কৰে । বিত্তীয় নিয়ন্ত্ৰণৰদ্বাৰা বিধানমণ্ডলে চৰকাৰী নীতি নিয়ন্ত্ৰণ কৰে ।

*অনাস্থা প্ৰস্তাৱ (No Confidence Motion)* ঃ কাৰ্য্যপালিকাৰ দায়বদ্ধতা নিশ্চিত কৰিবলৈ সংসদৰ হাতত থকা আটাইতকৈ শক্তিশালী অস্ত্ৰ হৈছে অনাস্থা প্ৰস্তাৱ। প্ৰকৃততে, যেতিয়ালৈকে চৰকাৰে লোকসভাৰ সংখ্যাগৰিষ্ঠ দলটো বা সংযুক্ত দলসমূহৰ সমৰ্থন লাভ কৰি থাকে তেতিয়ালৈ লোকসভাই চৰকাৰ ভঙ্গ কৰিব নোৱাৰে। অৱশ্যে ১৯৮৯ চনৰ পিচত কেইবাখনো চৰকাৰে তেওঁলোকৰ সহযোগী দলবোৰৰ সমৰ্থন অক্ষুণ্ণ ৰাখিব নোৱাৰাৰ ফলত লোকসভাৰ আস্থা হেৰুৱাবলগীয়া হৈছিল ।

এইদৰে, সংসদে কাৰ্য্যপালিকাক নিয়ন্ত্ৰণত ৰাখি চৰকাৰৰ দায়বদ্ধতা নিশ্চিত কৰিব পাৰে। অৱশ্যে ইয়াৰ বাবে প্ৰয়োজনীয় কথা হৈছে যে, সদনৰ হাতত যথেষ্ট সময় থাকিব লাগিব, সদস্য সকল আলোচনাৰ বাবে আগ্ৰহী হ'ব লাগিব আৰু সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিব লাগিব আৰু চৰকাৰ আৰু বিৰোধী পক্ষ বুজা-পৰাৰ বাবে ইচ্ছুক হ'ব লাগিব। যোৱা দশক দুটাত, লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহৰ অধিবেশনসমূহৰ আৰু বিতৰ্কৰ বাবে কটোৱা সময়ৰ অৱনতি ঘটিছে।। তদুপৰি, সংসদৰ সদন দুখনত থুলৰ (Quorum)অভাৱ, বিৰোধী পক্ষৰ সদস্যৰদ্বাৰা সদনৰ অধিবেশন বয়কট আদিৰ ফলত সদনে আলোচনাৰ জৰিয়তে কাৰ্য্যপালিকাক নিয়ন্ত্ৰণ কৰা ক্ষমতাৰ পৰা বঞ্চিত হৈছে ।

DAILY ASSAM



*কাৰ্য্যাৱলী*

তিনিদিন একেৰাহে দুৰদৰ্শনে প্ৰচাৰ কৰা সংসদৰ অধিবেশন চোৱা। অথবা বাতৰি কাকতত প্ৰকাশিত একেলেথাৰিয়ে তিনিদিনৰ প্ৰতিবেদন সংগ্ৰহ কৰা আৰু এখন প্ৰাচীৰ পত্ৰ (Wall Paper) তৈয়াৰ কৰা। তাত বিভিন্ন বিষয়ৰ আলোচনা, অধ্যক্ষৰ ভূমিকা, প্ৰশ্ন সুধি থকা অৱস্থা, প্ৰতিনিধিসকল কি দলৰ সদস্য, তোমাৰ অঞ্চলৰ প্ৰতিনিধিসকল কি দলৰ সদস্য, তোমাৰ অঞ্চলৰ প্ৰতিনিধিসকল, আলোচনাৰ বিষয়সমূহৰ প্ৰকৃতি— সেইবোৰ ৰাষ্ট্ৰীয় নে আঞ্চলিক পৰ্য্যায়ৰ আছিল, আদি কথাবোৰ মন কৰিবা।

**ব্যঙ্গ চিত্ৰখন পঢ়া**




বিৰোধী পক্ষই চৰকাৰৰ বিৰুদ্ধে তেওঁলোকৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ প্ৰায়ে সদন ত্যাগ কৰে। এই অস্ত্ৰবিধ প্ৰয়োজনতকৈ অধিক ব্যৱহাৰ কৰা হৈছে নেকি বাৰু?

## সংসদৰ কমিটিসমূহে কি কৰে? (What do the committees of Parliament do?)

বিধায়িনী প্ৰক্ৰিয়াৰ এটা তাৎপৰ্য্যপূৰ্ণ বৈশিষ্ট্য হৈছে যে বিভিন্ন বিধায়িনী উদ্দেশ্যত কমিটিসমূহ নিযুক্তি দিয়া হয়। এই কমিটিয়ে আইন প্ৰণয়নৰ উপৰিও সদনৰ দৈনন্দিন কাৰ্য্য সমূহতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সংসদ যিহেতু কেৱল অধিবেশনৰ সময়তহে মিলিত হয়, সেই বাবে ইয়াৰ যথেষ্ট কম সময় থাকে। উদাহৰণ স্বৰূপে, আইন প্ৰণয়নৰ সময়ত বিবেচিত হৈ থকা বিষয়টোত গভীৰ অধ্যয়নৰ প্ৰয়োজন হয়। ফলস্বৰূপে, ইয়াত অধিক মনোযোগ আৰু সময় দিবলগীয়া হয়। সেইদৰে বিভিন্ন মন্ত্ৰণালয়ৰ পৰা মঞ্জুৰীৰ বাবে অহা দাবীসমূহ অধ্যয়ন ; বিভিন্ন বিভাগৰ ব্যয় পৰীক্ষা কৰি চোৱা, দুৰ্নীতিৰ ঘটনা অনুসন্ধান কৰা আদি গুৰুত্বপূৰ্ণ কাৰ্য্যও আছে। এই কামবোৰ সংসদীয় কমিটিয়ে কৰে। ১৯৮৩ চনৰ পৰা ভাৰতত স্থায়ী প্ৰশাসনিক সমিতিৰ (Standing Committee) ব্যৱস্থা এটা

DAILY ASSAM



গঢ় লৈ উঠিছে। বিভাগৰ লগত জড়িত এনে ধৰণৰ কুৰি খনৰো অধিক কমিটি আছে। স্থায়ী প্ৰশাসনিক কমিটিবোৰে বিভিন্ন বিভাগৰ কাম, তেওঁলোকৰ বাজেট, ব্যয় আৰু সদনলৈ অহা একোটা বিভাগৰ লগত জড়িত বিধেয়কৰ তত্বাৱধান কৰে।

স্থায়ী প্ৰশাসনিক কমিটিসমূহৰ উপৰিও আমাৰ দেশত যুটীয়া সংসদীয় কমিটিয়েও প্ৰাধান্য লাভ কৰিছে। বিত্তীয় খেলিমেলিৰ অনুসন্ধান আদিৰ দৰে কোনো বিশেষ বিধেয়কৰ আলোচনাৰ বাবে যুটীয়া সংসদীয় কমিটি গঠন কৰিব পৰা যায়। এই কমিটিবোৰৰ সদস্যসকলক দুয়োখন সদনৰ পৰা বাছনি কৰা হয়।

কমিটি ব্যৱস্থাই সংসদৰ বোজা পাতলাইছে। বহুতো গুৰুত্বপূৰ্ণ বিধেয়ক কমিটিৰ বিবেচনাৰ বাবে পঠিওৱা হয়। কেতিয়াবা সামান্য সালসলনি কৰিলেও, সাধাৰণতে কমিটিৰ কামতে সংসদে অনুমোদন জনায়। অৱশ্যে আইনৰ ফালৰ পৰা ক'বলৈ হ'লে, সংসদৰ অনুমোদন নোহোৱালৈকে কোনো বিধেয়ক আইনত পৰিণত হ'ব নোৱাৰে আৰু বাজেটো মঞ্জুৰ নহয়। কিন্তু সংসদে কাচিৎহে কমিটিৰ পৰামৰ্শ অগ্ৰাহ্য কৰে।

বিধানমণ্ডলৰ প্ৰকৃতিৰ ক্ষেত্ৰত, পদ্ধতিৰ ফালৰ পৰাহে কিছু সীমাবদ্ধতা আছে। কিন্তু প্ৰকৃততে বিধানমণ্ডল বা সংসদৰ সাৰ্বভৌমত্বৰ কোনো বাধা-নিষেধ বা সীমাবদ্ধতা নাই ....



এন. ভি. গেডগিল
সংবিধান সভাৰ বিতৰ্ক একাদশ খণ্ড, পৃ.৬৫৯

DAILY ASSAM



## সংসদে নিজকে কেনেকৈ নিয়ন্ত্ৰণ কৰে? (How does the Parliament Regulate It self?)

আগতেই উল্লেখ কৰা হৈছে যে সংসদ হৈছে এখন বিতৰ্কৰ মঞ্চ । সংসদে বিতৰ্কৰ জৰিয়তে ইয়াৰ সকলো কাৰ্য্য সম্পাদন কৰে । এই আলোচনাবোৰ অৰ্থবহ আৰু শৃংখলাবদ্ধ হ'ব লাগে যাতে সংসদৰ কাৰ্য্যবোৰ বাধাহীনভাৱে আগবঢ়াই নিব পাৰি আৰু ইয়াৰ মৰ্য্যাদা অক্ষুন্ন থাকে। সংসদৰ কাৰ্য্য যাতে মসৃনভাৱে চলিব পাৰে তাৰ কাৰণে সংবিধানেই কিছুমান ব্যৱস্থা কৰিছে। বিধানমণ্ডলৰ কাম কাজ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিধানমণ্ডলৰ সভাপতি গৰাকীৰ চূড়ান্ত কৰ্তৃত্ব থাকে ।



*অ', তাৰমানে আইন প্ৰণয়নকাৰী সকলেও কিছুমান আইনৰ অধীনত থাকিব লাগে ।*

আন এটা উপায়েৰেও সদনৰ অধ্যক্ষই সদস্যসকলক নিয়ন্ত্ৰণ কৰিব পাৰে। তোমালোকে কিজানি দলত্যাগ বিৰোধী আইনখনৰ (Anti

### ব্যঙ্গঁ চিত্ৰখন পঢ়া




"আমি সদন বৰ্জন কৰি ওলাই অহা নাই। আমাক উলিয়াই পঠিওৱা হৈছে।" সাংসদসকলে ক'লে। এনেকুৱা ঘটনা ঘটে বুলিনো তুমি কিয় ভাবা?

DAILY ASSAM





তেওঁলোকে কিয় দল সলনি কৰে মই বুজি নাপাওঁ। তেওঁলোকে এবাৰ ত্যাগ কৰা দললৈ পুনৰ কেতিয়াবা উভতি আহেনে ?

defection law) কথা শুনিছা। বিধানমণ্ডলৰ বেছিভাগ সদস্যই কোনো ৰাজনৈতিক দলৰ টিকটত নিৰ্বাচিত হৈ আহে। নিৰ্বাচিত হৈ তেওঁলোকে দলত্যাগ কৰিব বিচাৰিলে কি হ'ব? স্বাধীনতাৰ পিছত বহু বছৰলৈ এই বিষয়টোৰ কোনো সমাধান সূত্ৰ ওলোৱা নাছিল। অৱশেষত ৰাজনৈতিক দলবোৰে একমতত উপনীত হৈছিল যে এটা ৰাজনৈতিক দলৰ টিকটত নিৰ্বাচিত হৈ অহা বিধানমণ্ডলৰ সদস্য এজনে সেই দলটো ত্যাগ কৰি আন দলত যোগদান কৰাত বাধা আৰোপ কৰিব লাগে। সেইবাবে ১৯৮৫ চনত সংবিধানখন সংশোধন (৫২ তম সংশোধনী বুলি জনা যায়) কৰা হ'ল । পিছত অৱশ্যে ৯১ তম সংশোধনী অনুসৰি ইয়াত কিছু সাল সলনি ঘটোৱা হৈছে। এনে বিষয়ত সদনৰ সভাপতিৰ শেষ সিদ্ধান্ত গ্ৰহণ কৰাৰ কৰ্তৃত্ব থাকে। কোনো সদস্যই দলত্যাগ কৰা বুলি প্ৰমাণিত হ'লে, সদনত সদস্য পদ হেৰুৱাবলগীয়া হয়। এনে সদস্যই কোনো ৰাজনৈতিক বিষয় বাব যেনে— মন্ত্ৰিত্ব আদি গ্ৰহণৰ বাবে অৰ্হতাহীন হয়।

দলত্যাগ কি? দলৰ নেতাই উপস্থিত থাকিবলৈ কোৱা সত্বেও কোনো সদস্য যদি সদনত অনুপস্থিত থাকে, বা দলীয় নিৰ্দেশৰ বিপৰীতে ভোট-প্ৰদান কৰে, বা ইচ্ছাকৃতভাৱে দলৰ সদস্যপদ ত্যাগ কৰে, তেতিয়া তেওঁক দল ত্যাগ কৰা বুলি কোৱা হয়।

যোৱা বিশ বছৰৰ অভিজ্ঞতাৰ পৰা ক'ব পাৰি যে দলত্যাগ বিৰোধী সংশোধনীয়ে দলত্যাগ কমাবলৈ সক্ষম হোৱা নাই। কিন্তু ইয়াৰ ফলত দলীয় নেতা আৰু বিধানমণ্ডলৰ সভাপতিয়ে সদস্যসকলৰ ওপৰত কিছু অতিৰিক্ত ক্ষমতা প্ৰয়োগ কৰাৰ সুবিধা লাভ কৰিছে।

DAILY ASSAM



## সামৰণি

তুমি কেতিয়াবা সংসদৰ কাৰ্য্যক্ৰমণিকাৰ পোনপটীয়া প্ৰচাৰ দূৰদৰ্শনত চাইছানে? তুমি দেখিবা যে আমাৰ সংসদখন সঁচাকৈয়ে দেশৰ বিভিন্ন অঞ্চলক প্ৰতিনিধিত্ব কৰা ৰং বিৰঙৰ পোচাকৰ এখন ৰামধেনু। সদনৰ কাম কাজ চলি থকা সময়ত সদস্যসকলে বিভিন্ন ভাষাত কথা কয়। তেওঁলোক বিভিন্ন বৰ্ণ, ধৰ্ম, ধৰ্মীয় উপ-সম্প্ৰদায়ৰ (Sect) পৰা আহে। তেওঁলোকে প্ৰায়ে তিক্ততাপূৰ্ণভাৱে কাজিয়া কৰে। বহু সময়ত তেওঁলোকে এনে ধাৰণা জন্মায় যে তেওঁলোকে ৰাষ্ট্ৰৰ সময় আৰু ধনৰ অপচয় কৰি আছে। কিন্তু এই অধ্যায়ত আমি পাইছো যে এই একেখিনি সাংসদে কাৰ্য্যপালিকাক ফলপ্ৰসূভাৱে নিয়ন্ত্ৰণ কৰিব পাৰে। তেওঁলোকে আমাৰ সমাজৰ বিভিন্ন শ্ৰেণীৰ মঙ্গলৰ বাবে ক'ব পাৰে। গঠনৰ ফালৰ পৰা চৰকাৰৰ অঙ্গকেইটাৰ ভিতৰত বিধানমণ্ডলেই হৈছে আটাইতকৈ বেছি প্ৰতিনিধিত্বমূলক। বিভিন্ন সামাজিক পৃষ্ঠভূমিৰ সদস্যৰ উপস্থিতিয়ে ইয়াক অধিক প্ৰতিনিধিত্বমূলক কৰি তুলিছে আৰু ই জনসাধাৰণৰ আশা-আকাংক্ষাৰ প্ৰতি অধিক সঁহাৰি দিব পৰা সম্ভাৱনা থকা অনুষ্ঠান হিচাপে পৰিগণিত হৈছে। সংসদীয় গণতন্ত্ৰত, বিধানমণ্ডলে জনসাধাৰণৰ ইচ্ছাক প্ৰতিনিধিত্ব কৰা অনুষ্ঠান হিচাপে ক্ষমতা আৰু দায়বদ্ধতাৰ উচ্চ স্থান অধিকাৰ কৰি থাকে। ইয়াতেই সংসদৰ গণতান্ত্ৰিক সম্ভাৱনীয়তা নিহিত হৈ আছে।

DAILY ASSAM



## অনুশীলনী

১. আলোকে ভাবে যে এখন ৰাষ্ট্ৰত জনসাধাৰণৰ কল্যাণৰ বাবে চিন্তা কৰা সুদক্ষ চৰকাৰ এখনৰ প্ৰয়োজন। সেইবাবে, আমি যদি প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰীসকলক নিৰ্বাচন কৰি চৰকাৰৰ কাম তেওঁলোকৰ হাতত অৰ্পণ কৰোঁ, তেতিয়াহ'লে আমাক বিধানমণ্ডলৰ প্ৰয়োজন নহ'ব। এই বিষয়ত তুমি একমত নে? তোমাৰ উত্তৰৰ বাবে যুক্তি দাৰ্শোৱা।

২. এটা শ্ৰেণীত দ্বিসদনীয় ব্যৱস্থাৰ গুণাগুণ সম্পৰ্কে বিতৰ্ক চলি আছিল। আলোচনাত তলত উল্লেখ কৰা যুক্তিবোৰ আগবঢ়োৱা হৈছিল। যুক্তিবোৰ পঢ়ি চোৱা আৰু সেইবোৰৰ লগত তুমি সহমত হয়নে নহয়, কাৰণ দৰ্শোৱা।

- নেহাই কৈছিল যে দ্বিসদনীয় বিধানমণ্ডলে কোনো উদ্দেশ্য সাধন নকৰে।
- শামাই যুক্তি দৰ্শাইছিল যে দ্বিতীয় সদনলৈ বিশেষজ্ঞ মনোনীত হোৱা উচিত।
- ত্ৰিদিবে কৈছিল যে ৰাষ্ট্ৰ এখন যুক্তৰাষ্ট্ৰীয় প্ৰকৃতিৰ নহ'লে, দ্বিতীয় সদনৰ প্ৰয়োজন নাই।

৩. কাৰ্যপালিকাক ৰাজ্যসভাতকৈ লোকসভাই কিয় বেছি ভালদৰে নিয়ন্ত্ৰণ কৰিব পাৰে?

৪. কাৰ্য্যপালিকাক নিয়ন্ত্ৰণ কৰাতকৈও, লোকসভা প্ৰকৃততে জনসাধাৰণৰ আৱেগ আৰু আশা-আকাংক্ষা প্ৰতিফলিত কৰা মঞ্চহে। তুমি এই কথাষাৰ মানি লোৱানে? কাৰণ দৰ্শোৱা।

৫. সংসদক অধিক কাৰ্য্যকৰী কৰিবলৈ কেইটামান প্ৰস্তাৱ আগবঢ়োৱা হৈছে। তোমাৰ মতামত প্ৰত্যেকটোৰে ক্ষেত্ৰত কাৰণ সহ উল্লেখ কৰা। এই পৰামৰ্শবোৰ গৃহীত হ'লে কি লাভ হ'ব?

- সংসদে দীঘলীয়া সময়ৰ বাবে কাম কৰা উচিত।
- সংসদৰ সদস্যসকলৰ উপস্থিতি বাধ্যতামূলক কৰিব লাগে।
- সদনৰ কাম-কাজত বাধা প্ৰদান কৰিলে সদস্যসকলক শাস্তি দিব পৰা ক্ষমতা অধ্যক্ষৰ থকা উচিত।

৬. আৰিফে জানিব বিচাৰিছিল যে যদি মন্ত্ৰীসকলে বেছিভাগ গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপন কৰে আৰু যদি সংখ্যাগৰিষ্ঠ সদস্যই প্ৰায়ে চৰকাৰী বিধেয়কত অনুমোদন জনায়,

DAILY ASSAM



তেতিয়াহ'লে আইন প্ৰণয়ন প্ৰক্ৰিয়াত সংসদৰ ভূমিকা কি? তুমি তেওঁক কি উত্তৰ দিবা?



৭. তলত উল্লেখ কৰা কোনটো বিবৃতিক তুমি আটাইতকৈ বেছি সমৰ্থন জনাবা? কাৰণ দৰ্শোৱা ।

- বিধানমণ্ডলৰ সদস্যসকলে তেওঁলোকৰ ইচ্ছা অনুসৰি যিকোনো দলত যোগদান কৰিব পাৰিব লাগে ।
- দলত্যাগ বিৰোধী আইনে দলীয় নেতাসকলক বিধানণ্ডলৰ সদস্যসকলক নিয়ন্ত্ৰণ কৰাত সহায় কৰিছে ।
- দলত্যাগ সদায় স্বাৰ্থপৰ উদ্দেশ্য সাধনৰ কাৰণেহে হয় আৰু সেইবাবে যিসকল বিধানমণ্ডলৰ সদস্যই আন দলত যোগদান কৰিব বিচাৰে তেওঁলোকক পিছৰ দুবছৰলৈ মন্ত্ৰী হোৱাৰ বাবে অৰ্হতাহীন কৰিব লাগে ।

৮. ডলি আৰু সুধাই অলপতে সংসদৰ দক্ষতা আৰু কাৰ্য্যকাৰিতা সম্পৰ্কে আলোচনা কৰি আছিল। ডলিয়ে বিশ্বাস কৰে যে বিতৰ্ক আৰু আলোচনাত কম সময় খৰছ আৰু সদনৰ কাম কাজত বিভিন্ন বাধা, সদন ত্যাগ আদিয়ে সংসদৰ অৱনতি স্পষ্ট কৰে। সুধাৰ মতে, লোকসভাৰ মজিয়াত বিভিন্ন চৰকাৰৰ পতনে ইয়াৰ সক্ৰিয়তাক সূচায়। ডলি আৰু সুধাৰ মতত সমৰ্থন বা বিৰোধিতা কৰিবলৈ তুমি আন কি যুক্তি আগবঢ়াবা?

৯. এখন বিধেয়ক আইনত পৰিণত হোৱাৰ বিভিন্ন স্তৰসমূহ শুদ্ধ আৰু শৃংখলাবদ্ধ ভাৱে সজোৱা ঃ

- বিধেয়ক এখন আলোচনাৰ বাবে গ্ৰহণ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।
- বিধেয়কখন ভাৰতৰ ৰাষ্ট্ৰপতিৰ ওচৰলৈ পঠিওৱা হৈছে-তেওঁ যদি স্বাক্ষৰ নকৰে কি হ'ব লিখা।
- বিধেয়কখন আনখন সদনলৈ পঠিওৱা হয় আৰু গৃহীত হয়।
- বিধেয়কখনত দফাবোৰ (Clause) এটা এটাকৈ পাঠ কৰি ভোট গ্ৰহণৰ বাবে দিয়া হয়।
- বিধেয়কখন উপ-কমিটিলৈ পঠিওৱা হ'য় - কমিটিয়ে কিছু সংশোধন কৰি সদনত আলোচনাৰ বাবে পঠিয়ায়।

DAILY ASSAM



- বিভাগীয় মন্ত্ৰীয়ে বিধেয়ক খনৰ প্ৰয়োজনীয়তাৰ বিষয়ে প্ৰস্তাৱ-উত্থাপন কৰিলে।
- আইন মন্ত্ৰণালয়ৰ আইন প্ৰণয়ন বিভাগে বিধেয়কৰ খচৰা প্ৰস্তুত কৰে।
- বিধেয়কখন যিখন সদনত প্ৰস্তাৱ কৰা হৈছিল তাত অনুমোদন জনোৱা হয়।

১০. সংসদীয় কমিটি ব্যৱস্থাই সংসদৰ আইন প্ৰণয়নৰ তত্বাৱধান আৰু মূল্য নিৰ্দ্ধাৰণত কেনেদৰে প্ৰভাৱ পেলাইছে ?